# মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণ কাৰ্য্যালয়

## মাজুলী জিলাত ৰাষ্ট্ৰীয় লোক আদালত

## প্ৰেছ বিজ্ঞপ্তি

মাজুলী: ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মতে অন্যান্য জিলা সমূহৰ লগতে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১১ ছেপ্তেম্বৰ, ২০২১ তাৰিখে ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত কৰাৰ লগতে অহা ২০ আগষ্টৰ পৰা ৩ চেপ্তেম্বৰ ২০২১ তাৰিখলৈকে প্ৰাক ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হ'ব । বৰ্তমান কভিদ -১৯ পৰিস্থিতিৰ হেতু এইবাৰৰ লোক আদালত অনলাইন যোগাযোগ মাধ্যম হোৱাটচ এপ ভিডিঅ কল, আৰু গুগল মিটৰ লিংক **https://meet.google.com/gnu-xecb-dsj** ব্যৱহাৰ কৰি গোচৰ নিস্পত্তিৰ ব্যৱস্থা কৰা হৈছে। উক্ত লোক আদালতত বিভিন্ন আপোচ যোগ্য ফৌচদাৰী গোচৰ, বিবাহ জনিত গোচৰ, চেক বাউনচৰ গোচৰ সমূহ নিস্পত্তিৰ দিহা কৰা হৈছে। ইয়াৰ উপৰিও বিভিন্ন বেংকৰ ঋণ আদায় সম্বন্ধীয়, বিজুলি বিল আদায় সম্বন্ধীয়, বি.এছ.এন.এল ফোনৰ বিল আদায় সম্বন্ধীয় প্ৰাক মোকৰ্দমা গোচৰ সমূহো মীমাংসাৰ বাবে লোৱা হ'ব। ইতিমধ্যে ম'হকুমা ন্যায়িক দণ্ডাধীশ, মাজুলীৰ আদালতত চলি থকা গোচৰ সমূহ নিৰ্দিষ্ট বাদি/বিবাদি সকলোলৈ নটিচ প্ৰেৰণ কৰা হৈছে। নটিচপ্ৰাপ্ত বাদী/বিবাদী সকলে আদালতলৈ আহি প্ৰাক লোক আদালতত ভাগ লব পাৰিব লগতে নিজৰ গোচৰ মীমাংসা কৰিব পাৰিব ।প্ৰাক লোকআদালতত মিমাংসা হোৱা গোচৰৰ বাদি/বিবাদিক অহা ১১ ছেপ্তেম্বৰ, ২০২১ তাৰিখে অনুষ্ঠিত হব লগা ৰাষ্ট্ৰীয় লোক আদালতৰ দিনা অনলাইন মাধ্যমৰ যোগেদি আদালতৰ পৰা যোগাযোগ কৰা হব আৰু আপোনালোকৰ সন্মতি লৈ আপোনাৰ গোচৰ চূড়ান্তৰূপে নিস্পত্তি কৰা হব । লগতে উক্ত আদালতৰ দ্বাৰা প্ৰাক মোকৰ্দমা গোচৰৰ গ্ৰাহক সকলোলৈকো নটিচৰ যোগেদি আহ্বান কৰা হৈছে যে ওপৰত

- উল্লেখ কৰা তাৰিখ সমূহৰ ভিতৰত বা নটিচৰ উল্লখিত তাৰিখৰ ভিতৰত নিজৰ বেংক/ বি.এছ.এন.এল/ এ.পি.ডি.চি.এল. ৰ শাখালৈ গৈ কতৃপক্ষৰ লগত মীমাংসাৰ আলোচনা কৰিব পাৰিব। অহা ১১-০৯-২০২১ তাৰিখে আদালতৰ পৰা অনলাইন মাধ্যমৰে যোগাযোগ কৰা হ'ব আৰু তেওঁলোকৰ মতামত লৈ গোচৰ নিস্পত্তি কৰা হ'ব। আপোনালকৰ নটিচত উল্লেখ থকা তাৰিখৰ উপৰিও কোনো বাদী-বিবাদী/গ্ৰাহকে যদি নটিচ গ্ৰহণ নকৰাকৈও ওপৰত উল্লেখ কৰা আদালতৰ গোচৰসমূহ আৰু প্ৰাক মোকৰ্দমা গোচৰৰ যদি নিস্পত্তি কৰিব বিচাৰে তেনেহলে তলত উল্লেখিত মোবাইল নম্বৰত অথবা মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাযালয়লৈ আহি যোগাযোগ কৰিব পাৰিব। লোক আদালতৰ জৰিয়তে নিস্পত্তি হোৱা গোচৰসমূহৰ ক্ষেত্ৰত পৰবৰ্তী পয্যায়ত কোনো ধৰণৰ আপিল আদিৰ ব্যৱস্হা নাই, সেয়েহে আগন্তক ৰাষ্ট্ৰীয় লোক আদালতত ডিজিটেল পদ্ধতিৰে অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্হাতো তৰান্বিত কৰি তুলিবলৈ মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ অধক্ষ্য শ্ৰীযুত মৃদুল কুমাৰ কলিতা আৰু সচিব শ্ৰীমতি লীনা দলেয়ে সদৌতিৰ প্ৰতি আহ্বান জনাইছে। বিতং তথ্যৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ ফ্ৰণ্ট অফিচ সমন্বয়ক ফোন নং ৭০০২৭১৭১৪৩ অথবা অফিচ ইমেইল আইদি dlsamajuli@gmail.com ত যোগাযোগ কৰিব পাৰিব।

Secretary
Dist. Legal Services Authority
MAJULI